# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-01-2025
**Time :** 1715 Hrs

# ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - -**

নেপাল আৰু তিব্বতত আজি পুৱা অহা ৭ দশমিক ১ প্ৰাবল্যৰ ভূমিকম্পৰ ফলত নিহতৰ সংখ্যা ১০০ৰ ঘৰ চুবগৈ পাৰে বুলি আশংকা কৰা হৈছে। নেপালৰ চৰকাৰী সূত্ৰই জনোৱা মতে কাঠমাণ্ডুৰ পৰা প্ৰায় ২৮০ কিলোমিটাৰ উত্তৰ দিশত আৰু এভাৰেষ্ট শৃংগৰ পৰা প্ৰায় ৯০ কিলোমিটাৰ দূৰত্বত অভিকেন্দ্ৰ থকা এই ভূমিকম্পৰ ক্ষয়-ক্ষতিৰ সম্পূৰ্ণ তথ্য এতিয়াও আহি নোপোৱাৰ বাবে চৰকাৰীভাবে নিহত সংখ্যা ঠাৰৰ কৰিব পৰা হোৱা নাই। চীনৰ চৰকাৰী নিউজ সংস্থা ঝিনহুৱাৰ মতে তিব্বতত নিহত লোকৰ সংখ্যা ৫৩ হৈছেগৈ। এই ভূমিকম্পৰ ফলত ভূটানৰ পৰাও ধন-জনৰ ক্ষতি হোৱাৰ বাতৰি আহিছে। আমাৰ আগৰ বাতৰিত কোৱা হৈছে যে উত্তৰ আৰু উত্তৰ-পূব ভাৰতত আজি পুৱা প্ৰায় ৬ বাজি ৩৫ মিনিটত এটা ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। তিব্বতৰ ঝিয়াং নামৰ ঠাইত উৎপত্তি হোৱা এই ভূমিকম্পৰ জোকাৰণি ভাৰতৰ ছিকিম, বিহাৰ আৰু উত্তৰবংগৰ বিভিন্ন স্থানৰ লগতে অসমতো অনুভূত হয়। উল্লেখযোগ্য যে, ২০১৫ চনৰ এপ্ৰিলত নেপালত হোৱা ৭ দশমিক ৮ প্ৰাবল্যৰ প্ৰচণ্ড ভূমিকম্পত প্ৰায় ৯ হাজাৰ লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ২০ হাজাৰতৈকও অধিক লোক আহত হৈছিল।

ooooo

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লা খনিত আবদ্ধ শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ৩০ জনীয়া আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ ৮ জনীয়া দলৰ লগতে নৌ সেনাৰ ডুবাৰুসকলে উদ্ধাৰ অভিযান পূৰ্ণগতিত চলাই আছে। উদ্ধাৰ অভিযানত নিয়োজিত দলে প্ৰকাশ কৰা অনুসৰি খনিটোৰ ভিতৰৰ পানী প্ৰায় ১০০ ফুটলৈ বৃদ্ধি পাইছে। ইফালে এই ঘটনাৰ তদন্তৰ বাবে আৰক্ষীয়ে খনি আৰু খনিজ আইন ১৯৫৭ৰ অধীনত উমৰাংছ' আৰক্ষী থানাত এখন এজাহাৰ পঞ্জীয়ন কৰিছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে পুনিছ নুনিছা নামৰ এজন লোকক আটক কৰা হৈছে।

আমাৰ আগৰ বাতৰিত কোৱা হৈছে যে এই কয়লাখনিত কয়লা আহৰণৰ কামত নিয়োজিত ২৭ জন শ্ৰমিক কালি পুৱা বাহিৰৰ পৰা হঠাৎ সোমাই অহা পানীত আৱদ্ধ হৈ পৰে। ইয়াৰে ১৮ জন শ্ৰমিক কোনোমতে বাহিৰলৈ ওলাই আহি প্ৰাণৰক্ষা কৰিবলৈ সমৰ্থ হয় যদিও আন ৯ জন শ্ৰমিক খনিৰ আভ্যন্তৰত আৱদ্ধ হৈ পৰে। ঘটনাৰ বাতৰি পোৱাৰ লগে লগে অগ্নি নিৰ্বাপন বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। অৱশ্যে কেইবামিটাৰ দ পানীত আৱদ্ধ হৈ পৰা শ্ৰমিককেইজনক জীৱিত অৱস্থাত উদ্ধাৰ কৰাৰ সম্ভাৱনা প্ৰায় নিৰ্বাপিত হৈছে।

উল্লেখযোগ্য যে ২০১৪ চনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে নিষেধাজ্ঞা আৰোপ কৰাৰ পাছতো কোনো কোনো স্থানত সৰু সৰু এন্দুৰৰ গাঁতসদৃশ গাঁত খান্দি খনিৰ আভ্যন্তৰণলৈ প্ৰৱেশ কৰি কয়লা আহৰণৰ অবৈধ খনন অব্যাহত আছে আৰু কেইবাগৰাকীও লোকে ৰাজ্যৰ বিভিন্ন খনিত ইয়াৰ পূৰ্বে প্ৰাণ হেৰুৱাইছে।

০০০০০

রাজ্যৰ ১১ খন জিলাৰ ১৬ হাজাৰ চৰকাৰী বিদ্যালয়ৰ ১৪ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীক সামৰি কালি আৰম্ভ হোৱা এই বছৰৰ প্ৰথম পৰ্যায়ৰ গুণোৎসৱৰ আজি বহিঃমূল্যায়ন কৰা হৈছে। গুণোৎসৱৰ আজি দ্বিতীয় দিনা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে লখিমপুৰ জিলাৰ পদ্মনাথ গোহাঁইবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি কাৰ্যসূচীৰ বুজ লয়। ৭ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত হ'বলগীয়া এই গুণোৎসৱ ৰাজ্যৰ শিক্ষা খণ্ডৰ গুণগত মান নিশ্চিতকৰণৰ নিৰন্তৰ প্ৰয়াস বুলিও শিক্ষা মন্ত্ৰীয়ে মন্তব্য কৰে। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজি আমিনগাঁও বেংগলী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ১৩৯ খন বিদ্যালয়ৰ ১৯ হাজাৰ ২৮৫ গৰাকী শিক্ষাৰ্থীৰ এই পৰ্যায়ত বহিঃমূল্যায়ণ কৰা হৈছে। কালি কাৰ্যসূচীৰ প্ৰথম দিনা শিক্ষাৰ্থীসকলৰ স্বমূল্যায়ন কৰা হৈছিল। জিলাখনত গুণোৎসৱৰ বাবে ৰাজ্য চৰকাৰৰ ৬ গৰাকী জ্যেষ্ঠ বিষয়াক বহিঃমূল্যায়ক হিচাপে নিযুক্তি দিয়া হৈছে। কোকৰাঝাৰ জিলাতো আজি গুণোৎসৱৰ বহিঃমূল্যায়ন কৰা হৈছে। কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰীয়ে আজি কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু মজলীয়া বিদ্যালয়ৰ এই কাৰ্যসূচীত অংশ লয়। শিৱসাগৰ জিলাতো এহেজাৰ ২৪১ খন শিক্ষানুষ্ঠানৰ ৭০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীক সামৰি গুণোৎসৱ অনুষ্ঠিত হৈছে।

০০০০০

৭০ জনীয়া দিল্লী বিধানসভাৰ নিৰ্বাচন ৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ'ব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কয়, যে দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে ১০ জানুৱাৰীত অধিসূচনা জাৰি কৰা হ'ব আৰু ১৭ জানুৱাৰী মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন হ'ব। তেওঁ কয়, যে নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ১৩ হাজাৰ ৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। এইবাৰৰ নিৰ্বাচনত দিল্লীৰ এক কোটি ৫৫ লাখৰো অধিক ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব বুলি শ্ৰীকুমাৰে জানিবলৈ দিয়ে।

ই ভি এম জালিয়াতিৰ অভিযোগ অগ্ৰাহ্য কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয়, যে এই যন্ত্ৰ সম্পূৰ্ণৰূপে সুৰক্ষিত আৰু ভোটদানৰ তথ্য সলনি কৰাটো অসম্ভৱ।

বৰ্তমান দিল্লী বিধানসভাৰ কাৰ্যকাল ২৩ ফেব্ৰুৱাৰীত অন্ত পৰিব। ২০২০ চনৰ বিধানসভা নিৰ্বাচনত আম আদমী পাৰ্টীয়ে ৬২ খন আসন লাভ কৰিছিল আৰু বিজেপিয়ে ৮ খন আসন হস্তগত কৰিবলৈ সমৰ্থ হৈছিল। সেইবাৰৰ নিৰ্বাচনত কংগ্ৰেছে এখনো আসন লাভ কৰা নাছিল।

০০০০০

অসম লোকসেৱা আয়োগৰ সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া ভাৰতভূষণ দেৱচৌধুৰীক গুৱাহাটী বিশ্ববিদ্যালয়ে ৰাজনীতি বিজ্ঞান বিভাগৰ সন্মানীয় অতিথি অধ্যাপক হিচাপে মনোনীত কৰিছে। সুদীৰ্ঘ কালৰ প্ৰশাসনিক অভিজ্ঞতা আৰু দক্ষতাৰ বাবে দেৱচৌধুৰীক এই পদবীৰ বাবে মনোনীত কৰা বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা জনোৱা হৈছে। তেওঁ অসামৰিক প্ৰশাসন সম্পৰ্কীয় বিষয়সমূহৰ পাঠদান কৰাৰ উপৰি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কেন্দ্ৰীয় তথা ৰাজ্যিক লোকসেৱা আয়োগৰ দ্বাৰা অনুষ্ঠিত প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ বাবে প্ৰস্তুতিৰ প্ৰশিক্ষণ আগবঢ়াব।

০০০০০

সমাপ্ত